1. নিম্নলিখিত কোনজন ব্যক্তি ব্যাকৰণ আৰু অভিধানৰ প্ৰণেতা ?

(A) সত্যনাথ বৰা
(B) মাইলচ ব্ৰন্সন
(C) হেমচন্দ্ৰ বৰুৱা
(D) বাণীকান্ত কাকতি

2. নিম্নলিখিত কোনটো অনুষ্ঠান লোক পৰিবেশ্য-কলাকেন্দ্ৰিক অনুষ্ঠান নহয় ?

(A) ভাৰীগান
(B) কুশান গান
(C) পালা
(D) ভঠেলী

3. গণমাধ্যম হৈছে —

(A) গণসংযোগৰ সুবিধা সৃষ্টিকাৰী আহিলা
(B) ৰাজহুৱা নব্য মাধ্যম
(C) পৰম্পৰাগত দৃশ্য-শ্ৰব্য মাধ্যম
(D) বিদ্যুতীয় ছপা মাধ্যম

4. শংকৰদেৱৰ কোনখন নাটত নৰকাসুৰ বধৰ ঘটনা পোৱা যায় ?

(A) পত্নীপ্ৰসাদ
(B) কেলিগোপাল
(C) পাৰিজাত হৰণ
(D) ৰাম বিজয়

5. শংকৰদেৱৰ 'কুৰুক্ষেত্ৰ' কাব্যৰ আধাৰ হ'ল —

(A) দশম সুন্ধ ভাগৱত
(B) মহাভাৰত
(C) বামন পুৰাণ
(D) কন্দলি ৰামায়ণ

6. ৰাম সৰস্বতীৰ "বধকাব্যবোৰ একপ্ৰকাৰ ৰূপক কাব্য" বুলি মন্তব্য কৰিছে —

(A) লক্ষ্মীনাথ বেজবৰুৱা
(B) বাণীকান্ত কাকতি
(C) কালিৰাম মেধি
(D) মহেশ্বৰ নেওগ

7. 'ঘুনুচা-কীৰ্তন'ৰ ৰচয়িতা হ'ল —

(A) শ্ৰীধৰ কন্দলি
(B) ৰত্নাকৰ কন্দলি
(C) ৰাম সৰস্বতী
(D) শংকৰদেৱ

8. ৰত্ন কন্দলী আৰু অৰ্জুনদাস বৈৰাগীয়ে ৰচনা কৰা বুৰঞ্জীখন হ'ল —

(A) সাতসৰী অসম বুৰঞ্জী
(B) জয়ন্তীয়া বুৰঞ্জী
(C) পাদশাহ বুৰঞ্জী
(D) ত্ৰিপুৰা বুৰঞ্জী

9. ‘আসাম নিউচ’ কাকতৰ সম্পাদক আছিল —

(A) নাথান ব্ৰাউন (B) হেমচন্দ্ৰ বৰুৱা

(C) গুণাভিৰাম বৰুৱা (D) ইয়াৰ এজনো নহয়

10. ‘বঙ্গাল-বঙ্গালনী নাটক’ কোনে ৰচনা কৰিছে ?

(A) ৰুদ্ৰৰাম বৰদলৈ (B) দেৱনাথ বৰদলৈ

(C) চন্দ্ৰধৰ বৰুৱা (D) ৰত্নেশ্বৰ মহন্ত

11. তলত উল্লেখ কৰা কোনখন গ্ৰন্থ পদ্মনাথ গোহাঞিবৰুৱাৰ নহয় ?

(A) লাচিত বৰফুকন (B) বাণৰজা

(C) শ্ৰীকৃষ্ণ (D) মালচ

12. লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পদুম কুঁৱৰী’ উপন্যাসৰ ঐতিহাসিক পটভূমি হ’ল —

(A) মানৰ অসম আক্ৰমণ (B) শৰাইঘাটৰ যুদ্ধ

(C) দন্দুৱা-দ্ৰোহ (D) মোৱামৰীয়া বিদ্ৰোহ

13. অসমীয়া কাব্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰৱৰ্তন কৰিছিল—

(A) ৰমাকান্ত চৌধুৰী (B) ভোলানাথ দাস

(C) লম্বোদৰ বৰা (D) হেমচন্দ্ৰ গোস্বামী

14. পদ্মাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা গ্ৰন্থখনি হ’ল —

(A) কামিনীকান্ত (B) জাত্ৰিকৰ জাত্ৰা

(C) ফুলমণি ও কৰুণা (D) সুধৰ্মাৰ উপাখ্যান

15. অ. ভা. উ. সা. সভাৰ জন্ম হৈছিল—

(A) ১৮৮৮ চনৰ ১০ জানুৱাৰীত (B) ১৮৮৮ চনৰ ২৫ আগষ্টত

(C) ১৮৮৯ চনৰ ১৫ ফেব্ৰুৱাৰীত (D) ১৮৮৯ চনৰ ১৫ আগষ্টত

16. অসমীয়া ভাষাৰ প্ৰথম ছনেট পুথি হ’ল —

(A) মালচ (B) চকুলো

(C) অঙ্গিলা (D) প্ৰিয়তমাৰ চিঠি

17. লক্ষ্মীনাথ বেজবৰুৱাৰ গজপুৰীয়া চৰিত্ৰটি কোনখন নাটকত আছে ?

(A) ‘লিতিকাই’ (B) ‘পাঁচনি’

(C) ‘চক্ৰধ্বজ সিংহ’ (D) ‘জয়মতী কুঁৱৰী’

18. "হেঙুল আকাশ, ক'লা চাইকেল, এজন আৰোহী" নামৰ আত্মকথা কাৰ ৰচনা ?

(A) হোমেন বৰগোহাঞি (B) হীৰেন গোহাঁই

(C) অজিৎ বৰুৱা (D) নীলমণি ফুকন

19. তলৰ **'ক'** স্তম্ভৰ লগত **'খ'** স্তম্ভৰ বিষয়বোৰ মিলাই শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| (a) নিৰুপমা বৰগোহাঞি | (i) 'মেৰেং' |
| (b) মামণি ৰয়চম গোস্বামী | (ii) 'শান্তনুকুলনন্দন' |
| (c) অনুৰাধা শৰ্মা পূজাৰী | (iii) 'অভিযাত্ৰী' |
| (d) পূৰবী বৰমুদৈ | (iv) 'আধালেখা দস্তাবেজ' |

| **Codes :** | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (ii) | (i) | (iii) | (iv) |
| (C) | (iii) | (ii) | (iv) | (i) |
| (D) | (iv) | (i) | (iii) | (ii) |

20. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয়বোৰ মিলাই শুদ্ধ উত্তৰটো নিৰ্বাচন কৰা :

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| (a) চৈয়দ আব্দুল মালিক | (i) 'এই বন্দৰৰ আবেলি' |
| (b) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | (ii) 'বীণা কুটিৰ' |
| (c) ভবেন্দ্ৰনাথ শইকীয়া | (iii) 'যীশুখ্ৰীষ্টৰ ছবি' |
| (d) সৌৰভ কুমাৰ চলিহা | (iv) 'কলং' আজিও বয়' |

| **Codes :** | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (i) | (iv) | (iii) |
| (B) | (iii) | (iv) | (i) | (ii) |
| (C) | (iv) | (i) | (iii) | (ii) |
| (D) | (i) | (iv) | (ii) | (iii) |

21. হুদুমদেও পূজা অসমৰ কোনখন জিলাত ঘাইকৈ পালন কৰা দেখা যায় ?

(A) গোৱালপাৰা জিলাত (B) দক্ষিণ কামৰূপত

(C) আজাৰাত (D) তিনিচুকীয়া জিলাত

22. "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি" কবিতাটো ৰচনা কৰিছে —

(A) জ্যোতিপ্ৰসাদ আগৰৱালাই
(B) হেম বৰুৱাই
(C) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই
(D) হীৰেন ভট্টাচাৰ্যই

23. ডিম্বেশ্বৰ নেওগৰ বিহুনামৰ সংগ্ৰহ হ'ল —

(A) বহাগী
(B) আকুল পথিক
(C) নিৰ্মালি
(D) ইন্দ্ৰধনু

24. সত্যপ্ৰসাদ বৰুৱাৰ 'বনহংসী' নাটক কোনজন বিদেশী নাট্যকাৰৰ নাটকৰ অনুবাদ ?

(A) ছেক্সপীয়েৰ
(B) হেনৰিক ইবচেন
(C) জৰ্জ বাৰ্ণাৰ্ড শ্ব'
(D) চেমুৱেল বেকেট

25. ছেক্সপীয়েৰৰ Romeo and Juliet নাটক 'অমৰ-লীলা' নামেৰে অসমীয়া অনুবাদ কৰিছে —

(A) পদ্মধৰ চলিহাই
(B) দুৰ্গেশ্বৰ শৰ্মাই
(C) পোনা মহন্তই
(D) আনন্দ বৰমুদৈয়ে

26. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয়বোৰ মিলাই শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) 'সাহিত্য আৰু সাহিত্য' | (i) সত্যেন্দ্ৰনাথ শৰ্মা |
| (b) 'সাহিত্য আৰু চেতনা' | (ii) তীৰ্থনাথ শৰ্মা |
| (c) 'সাহিত্য বিদ্যা পৰিক্ৰমা' | (iii) হীৰেন গোহাঁই |
| (d) 'সাহিত্যৰ আভাস' | (iv) হেম বৰুৱা |

| Codes | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (iii) | (ii) | (iv) | (i) |
| (C) | (i) | (iii) | (iv) | (ii) |
| (D) | (iv) | (iii) | (ii) | (i) |

27. অলংকাৰবাদৰ প্ৰতিষ্ঠাতা হ'ল —

(A) ভামহ
(B) আচাৰ্য দণ্ডী
(C) আচাৰ্য বামন
(D) কুন্তক

28. প্ৰথম অসমীয়া ছপাপুথি 'ধৰ্মপুস্তক' কোন চনত প্ৰকাশ হৈছিল ?

(A) ১৮০০ চন
(B) ১৮১২ চন
(C) ১৮১৩ চন
(D) ১৮৪৬ চন

29. লক্ষ্মীনন্দন বৰাৰ 'কায়কল্প' কোন শ্ৰেণীৰ উপন্যাস ?

(A) ঐতিহাসিক উপন্যাস
(B) কল্পবিজ্ঞান উপন্যাস
(C) ৰাজনৈতিক উপন্যাস
(D) পৌৰাণিক উপন্যাস

30. "সমস্ত ৰসক কোনে জানিবাক পাৰে।
পখীসব উৰয় যেন পখা অনুসাৰে।।"
— এই উক্তি কোন গৰাকী কবিৰ ?

(A) অনন্ত কন্দলি
(B) মাধৱ কন্দলি
(C) শ্ৰীধৰ কন্দলি
(D) ৰাম সৰস্বতী

31. 'খিচাগীত' হল এক প্ৰকাৰ

(A) হুঁচৰি ঘোষা
(B) বিয়াত গোৱা জোৰানাম
(C) বাৰমাহী গীত
(D) নাওঁখেলৰ গীত

32. প্ৰত্ন অসমীয়াৰ প্ৰথম সাহিত্যিক নিদৰ্শন পোৱা যায় —

(A) বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন'ত
(B) সহজযানী বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ 'চৰ্যাগীতি'ত
(C) মাধৱ কন্দলিৰ 'ৰামায়ণ'ত
(D) ৰামাই পণ্ডিতৰ 'শূন্য পুৰাণ'ত

33. হিৱেনচাঙৰ বিৱৰণত কামৰূপৰ কোনজন ৰজাৰ বিষয়ে উচ্চ প্ৰশংসা পোৱা যায় ?

(A) মহা মানিক্য
(B) ভগদত্ত
(C) ভাস্কৰবৰ্মা
(D) দুৰ্ল্লভনাৰায়ণ

34. বৈষ্ণৱ দৰ্শনত 'নাম-দেৱ-গুৰু-ভকত' এই চাৰিটাক কি বুলি গ্ৰহণ কৰা হয় ?

(A) চৈধ্য প্ৰসংগ
(B) ভকতিৰ চাৰি খুটি
(C) নিৰ্গুণ ভকত
(D) নামকীৰ্তন

35. তলত দিয়া কোনখন গ্ৰন্থৰ ৰচনা মাধৱদেৱৰ ?

(A) ৰাম বিজয়
(B) জন্মৰহস্য
(C) ভক্তিপ্ৰদীপ
(D) হৰিশ্চন্দ্ৰ উপাখ্যান

36. অসমৰ দৌল-দেৱালয়, কাৰেং মৈদাম আদি সজাৰ জোখ-মাখৰ বৰ্ণনা সন্নিৱিষ্ট হোৱা বুৰঞ্জীখন —

(A) কলিভাৰত বুৰঞ্জী
(B) চকঁৰিফোটী বুৰঞ্জী
(C) বৰপাহি বুৰঞ্জী
(D) চাংৰুং ফুকনৰ বুৰঞ্জী

37. অৰুণোদই-কালীন সময়চোৱাত 'A Native' ছদ্মনামত সাহিত্য ৰচনা কৰা সাহিত্যিকজন

(A) হেমচন্দ্ৰ বৰুৱা
(B) নিধি লিৱাই ফাৰৱেল
(C) আনন্দৰাম ঢেকিয়াল ফুকন
(D) দয়াৰাম চেটিয়া

38. 'তিৰোতাৰ আত্মদান কাব্য'ৰ ৰচক আছিল —

(A) পদ্মনাথ গোহাঞিবৰুৱা
(B) হিতেশ্বৰ বৰবৰুৱা
(C) দণ্ডীনাথ কলিতা
(D) পদ্মাৱতী দেৱী ফুকননী

39. ছেক্সপীয়েৰৰ 'মাৰ্চেন্ট অৱ ভেনিচ' (Merchent of Venice) ৰ অতুলচন্দ্ৰ হাজৰিকাই কৰা অনুবাদ গ্ৰন্থৰ নাম

(A) অশ্ৰুতীৰ্থ
(B) চন্দ্ৰাৱলী
(C) বনিজ কোঁৱৰ
(D) ৰাজৰ্ষি

40. মাধৱদেৱৰ জীৱন আধাৰিত মেদিনী চৌধুৰীয়ে লিখা উপন্যাসখনৰ নাম —

(A) ফেৰেংগাদাও
(B) ধন্য নৰতনু ভাল
(C) সেহি গুণনিধি
(D) বণ্ডুকা বেহাৰ

41. শিশুৰ বাবে কল্পবিজ্ঞান উপন্যাস, নাটক ইত্যাদি ৰচনা কৰা লেখিকাগৰাকীৰ নাম —

(A) বন্দিতা ফুকন
(B) শ্বেমিম নাশ্বৰিণ
(C) তোষপ্ৰভা কলিতা
(D) কৰবী ডেকা হাজৰিকা

42. মোৱামৰীয়া বিদ্ৰোহৰ ভেঁটিত মুনীন ভূঞাই ৰচনা কৰা নাটকখনৰ নাম —

(A) ৰাধা-ৰুক্মিণীৰ ৰণ
(B) গণ-বিপ্লৱ
(C) বিদ্ৰোহী মৰাণ
(D) জৰৌৰোৱা পৰজা

43. 'ছাত্ৰ সন্মিলন'ৰ মুখপত্ৰখনৰ নাম আছিল

(A) বিজুলী
(B) মিলন
(C) আলোচনী
(D) মণিদীপ

**44.** 'গালিভাৰৰ ভ্ৰমণ কাহিনী' নামেৰে কৰা Gulliver's Travel ৰ অনুবাদৰ অনুবাদক

(A) মহেশ্বৰ নেওগ (B) মহেন্দ্ৰ বৰা

(C) সুপ্ৰভা গোস্বামী (D) বেণুধৰ শৰ্মা

**45.** তলত দিয়া কোন বিধ গীতক 'শ্ৰমগীত'ৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি ?

(A) মৈষাল গীত (B) ৰাতিসেৱাৰ গীত

(C) বিসু উৎসৱৰ গীত (D) বিননি গীত

**46.** পশ্চিম অসমত প্ৰচলিত কোনবিধ পূজাৰ লগত বিশেষভাবে স্ত্ৰী-আচাৰ জড়িত হৈ আছে ?

(A) বাঁশপূজা (B) সোণাৰায় পূজা

(C) চড়ক পূজা (D) হুদুমদেওৰ পূজা

**47.** তুলনামূলক সাহিত্যৰ কোনটো স্কুলে বিশেষভাৱে 'প্ৰাচ্যতত্ত্ব' (Orientalism) ৰ অধ্যয়নক অগ্ৰাধিকাৰ দিছিল

(A) আমেৰিকান স্কুল (B) ফৰাচী স্কুল

(C) ৰাছিয়ান স্কুল (D) চীনা স্কুল

**48.** ঋষি অৰবিন্দই ৰচনা কৰা ভাৰতীয় সাহিত্যৰ স্বৰূপ ব্যাখ্যা কৰি লিখা প্ৰবন্ধলানিৰ শীৰ্ষক আছিল —

(A) ভাৰতীয় সাহিত্য (B) বিশ্ব সাহিত্য

(C) ভাৰতৰ প্ৰাদেশিক সাহিত্য (D) ভাৰতৰ সাহিত্য

**49.** তুলনামূলক সাহিত্যক 'বিশ্বসাহিত্য' বুলি সম্বোধন কৰা ব্যক্তিজন —

(A) গ্যেটে (B) সৰ্বপল্লী ৰাধা কৃষ্ণন

(C) ৰবীন্দ্ৰনাথ ঠাকুৰ (D) সৰোজিনী নাইডু

**50.** 'কম্পেৰেটিভ্ লিটাৰেচাৰ ঃ চম পাৰ্ছপেক্টিভ' (Comparative Literature : Some Perspective) ৰ লেখক

(A) অমিয় দেৱ (B) ইন্দ্ৰনাথ চৌধুৰী

(C) কে. আয়াপ্পা পানিকৰ (D) বুদ্ধদেৱ বসু

**51.** 'যৈছে লৱঙ্গলতা বাতে উৎপাড়ল'

— উক্ত সংলাপটি শংকৰদেৱৰ কোনখন নাটকত পোৱা যায় ?

(A) কেলিগোপাল (B) পাৰিজাত হৰণ

(C) ৰুক্মিণী হৰণ (D) ৰাজবিজয়

**52.** চতুৰ্থ শতিকাৰ উত্তৰ ভাৰতত প্ৰচলিত লিপিক কি নামেৰে জনা যায় ?

(A) কুটিল (B) সাৰদা

(C) গুপ্ত (D) নাগৰী

**53.** 'কিতাবৎ মঞ্জৰী'ৰ মূল কি ?

(A) শ্ৰী হস্ত মুক্তাৱলী B) ভৱপ্ৰকাশ নিদান

(C) ভাস্কৰাচাৰ্যৰ লীলাৱতী (D) এটাও নহয়

**54.** 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি' — শীৰ্ষক গ্ৰন্থৰ ৰচক কোন ?

(A) বাণীকান্ত কাকতি (B) কালিৰাম মেধি

(C) দেবানন্দ ভৰালী (D) উপেন্দ্ৰনাথ গোস্বামী

**55.** কোনজন পণ্ডিতৰ ৰচনাক তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰথম ৰচনা হিচাপে আখ্যা দিয়া হয় ?

(A) গ্যেটে (B) হেনৰি ৰেমাক

(C) ফ্ৰান্সিছ মেৰেচ (D) শ্যেক্সপীয়েৰ

**56.** শূণ্য পুৰাণৰ ৰচক কোন ?

(A) মাধৱ কন্দলি (B) ৰামাই পণ্ডিত

(C) বড়ু চণ্ডীদাস (D) বসন্ত ৰঞ্জন ৰায় বিদ্যাবল্লভ

**57.** কথা গুৰু চৰিতৰ শেষ বক্তা কোন ?

(A) ধনঞ্জয় আতৈ (B) বিদ্যা পঞ্চানন

(C) ৰামচৰণ ঠাকুৰ (D) চক্ৰপাণি বৈৰাগী

**58.** প্ৰসিদ্ধ চীন পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ ভ্ৰমণ বিৱৰণত কামৰূপৰ ভাষা ভাৰতৰ কোন কোন অঞ্চলৰ ভাষাৰ পৰা কিছু পৃথক বুলি মন্তব্য কৰিছে ?

(A) উত্তৰ ভাৰতৰ (B) পশ্চিম ভাৰতৰ

(C) দক্ষিণ ভাৰতৰ (D) মধ্য ভাৰতৰ

59. পুৰণি অসম বুৰঞ্জী কোনে সম্পাদনা কৰিছিল ?

(A) সূৰ্য্যকুমাৰ ভূঞা
(B) হেমচন্দ্ৰ গোস্বামী
(C) কীৰ্তিচন্দ্ৰ বৰবৰুৱা
(D) এটাও নহয়

60. অসমীয়া নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিভক্তিমূলক সৰ্গহে, কাৰণ—

(A) নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিশেষ্য আৰু বিশেষণৰ পাচত যোগ হয়।
(B) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে শব্দৰ শ্ৰেণী পৰিবৰ্তন নঘটায়।
(C) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন কৰে।
(D) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন নকৰে।

(61 নম্বৰ প্ৰশ্নৰ পৰা 63 নম্বৰ প্ৰশ্নলৈকে একাদিক্ৰমে সময় অনুসৰি সজোৱা।)

61. (১) কীৰ্ত্তন (২) কংসবধ (৩) ঘোঁৰা নিদান (৪) বুৰঞ্জী বিবেক ৰত্ন

(A) (৪), (৩), (২), (১)
(B) (২), (১), (৩), (৪)
(C) (১), (২), (৩), (৪)
(D) (৩), (৪), (১), (২)

62. (১) অসমীয়া ব্যাকৰণ প্ৰবেশ

(২) অসমীয়া ভাষাৰ ৰূপকথা

(৩) অসমীয়া ভাষাৰ ব্যাকৰণ

(৪) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(A) (১), (২), (৩), (৪)
(B) (১), (৩), (২), (৪)
(C) (২), (৩), (১), (৪)
(D) (৪), (২), (৩), (১)

63. (১) A Grammar of Assamese Language

(২) A Few Remarks on the Assamese Language

(৩) Grammatical Notices of the Assamese Language

(৪) Assamese, Its Formation and Development

(A) (৪), (৩), (২), (১)
(B) (১), (৩), (২), (৪)
(C) (৩), (৪), (১), (২)
(D) (২), (১), (৪), (৩)

64. "কটা অধৰমী, নিপাত যাবি সেইটো আক্রোহ হ'লে..... " — অতুলানন্দ (
সন্নিবিষ্ট এই কথাষাৰ নামঘৰীয়াই কাক উদ্দেশ্যি কৈছিল ?

(A) বাখৰ
(B) হেমকান্ত
(C) নৱ
(D) বুদুৰাম

65. 'কথা ভাগবত'ৰ শব্দচয়ন সংস্কৃত শব্দৰে ভাৰাক্রান্ত বুলি কোনে কৈছিল ?

(A) কালিৰাম মেধি
(B) লক্ষ্মীনাথ বেজবৰুৱা
(C) বাণীকান্ত কাকতি
(D) এটাও নহয়

66. 'সংসাৰ সাগৰে মজি আছে সৰ্বজন / মহাভাগৱত নৌকা তাহাৰ চৰণ।" — ওপৰে
উদাহৰণ ?

(A) উপমা
(B) ৰূপক
(C) ব্যতিৰেক
(D) আশ্রয়

67. তুংখুঙীয়া বুৰঞ্জীৰ ষষ্ঠ অধ্যায়ত কোন স্বৰ্গদেৱৰ ৰাজ্যভিষেকৰ বৰ্ণনা পোৱা যা

(A) শিৱসিংহ
(B) গদাধৰ সিংহ
(C) ৰুদ্ৰ সিংহ
(D) প্ৰমত্ত সিংহ

68. শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (১) বিশেষ্য | (অ) খৰকৈ |
| (২) বিশেষণ | (আ) ৰাখোঁতা |
| (৩) ক্রিয়া বিশেষণ | (ই) খুন্দনা |
| (৪) কৃদন্ত | (ঈ) লুতুৰা |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (আ) | (ই) | (ঈ) | (অ) |
| (B) | (ঈ) | (অ) | (আ) | (ই) |
| (C) | (ই) | (ঈ) | (অ) | (আ) |
| (D) | (অ) | (আ) | (ই) | (ঈ) |

**64.** "কটা অধৰমী, নিপাত যাবি সেইটো আক্ৰোহ হ'লে..... " — অতুলানন্দ গোস্বামীৰ 'নামঘৰীয়া' উপন্যাসত সন্নিবিষ্ট এই কথাষাৰ নামঘৰীয়াই কাক উদ্দেশ্যি কৈছিল ?

(A) বাখৰ (B) হেমকান্ত

(C) নৱ (D) বুদুৰাম

**65.** 'কথা ভাগবত'ৰ শব্দচয়ন সংস্কৃত শব্দৰে ভাৰাক্ৰান্ত বুলি কোনে কৈছিল ?

(A) কালিৰাম মেধি (B) লক্ষ্মীনাথ বেজবৰুৱা

(C) বাণীকান্ত কাকতি (D) এটাও নহয়

**66.** 'সংসাৰ সাগৰে মজি আছে সৰ্বজন / মহাভাগৱত নৌকা তাহাৰ চৰণ।" — ওপৰোক্ত পদফাঁকি কোনবিধ অলংকাৰৰ উদাহৰণ ?

(A) উপমা (B) ৰূপক

(C) ব্যতিৰেক (D) আশ্ৰয়

**67.** তুংখুঙীয়া বুৰঞ্জীৰ ষষ্ঠ অধ্যায়ত কোন স্বৰ্গদেৱৰ ৰাজ্যভিষেকৰ বৰ্ণনা পোৱা যায় ?

(A) শিৱসিংহ (B) গদাধৰ সিংহ

(C) ৰুদ্ৰ সিংহ (D) প্ৰমত্ত সিংহ

**68.** শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (১) বিশেষ্য | (অ) খৰকৈ |
| (২) বিশেষণ | (আ) ৰাখোঁতা |
| (৩) ক্ৰিয়া বিশেষণ | (ই) খুন্দনা |
| (৪) কৃদন্ত | (ঈ) লুতুৰা |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (আ) | (ই) | (ঈ) | (অ) |
| (B) | (ঈ) | (অ) | (আ) | (ই) |
| (C) | (ই) | (ঈ) | (অ) | (আ) |
| (D) | (অ) | (আ) | (ই) | (ঈ) |

**69.** শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| (১) পিনি | (অ) আদি |
| (২) এগে | (আ) কাৰ্বি |
| (৩) গালে | (ই) মিচিং |
| (৪) জেইনচেম | (ঈ) খাচী |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (অ) | (ঈ) | (আ) | (ই) |
| (B) | (আ) | (ই) | (অ) | (ঈ) |
| (C) | (ঈ) | (আ) | (ই) | (অ) |
| (D) | (ই) | (অ) | (ঈ) | (আ) |

**70.** শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| (১) পদুমৰ নিচিনা মুখ | (অ) উৎপ্ৰেক্ষা |
| (২) তেওঁৰ মুখখন যেনিবা পদুম | (আ) সন্দেহ |
| (৩) এইখন মুখ নে পদুম ফুল | (ই) অতিশয়োক্তি |
| (৪) এইপাহ পদুম | (ঈ) উপমা |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (ঈ) | (অ) | (আ) | (ই) |
| (B) | (অ) | (ই) | (ঈ) | (আ) |
| (C) | (আ) | (অ) | (ই) | (ঈ) |
| (D) | (ই) | (আ) | (অ) | (ঈ) |

**71.** শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (১) কানাই বৰশী বোৱা শিলালিপি | (অ) পঞ্চম শতিকা |
| (২) ভাস্কৰবৰ্মাৰ ডুবি শাসন | (আ) ত্ৰয়োদশ শতিকা |
| (৩) উমাচল শিলালিপি | (ই) সপ্তম শতিকা |
| (৪) বনবলবৰ্মাদেৱৰ পৰ্বতীয়া | (ঈ) নৱম শতিকা |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (অ) | (ঈ) | (আ) | (ই) |
| (B) | (ঈ) | (আ) | (ই) | (অ) |
| (C) | (ই) | (অ) | (ঈ) | (আ) |
| (D) | (আ) | (ই) | (অ) | (ঈ) |

**72.** শুদ্ধ ৰূপটো নিৰ্বাচন কৰাঁ :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (১) কৃৎ প্ৰত্যয় | (অ) প্ৰাতিপাদিকৰ পাছত যোগ হোৱা প্ৰত্যয় |
| (২) স্বাৰ্থিক প্ৰত্যয় | (আ) যিবোৰ শব্দৰ পাছত বচন, লিঙ্গবাচক প্ৰত্যয় বা শব্দবিভক্তি যোগ নহয় |
| (৩) তদ্ধিত প্ৰত্যয় | (ই) ধাতুৰ পাছত যোগ হোৱা প্ৰত্যয় |
| (৪) অব্যয় | (ঈ) প্ৰাতিপাদিকৰ লগত যোগ হয় যদিও এই প্ৰত্যয়ৰ যোগত প্ৰাতিপাদিকৰ অৰ্থৰ পৰিৱৰ্তন নহয় |

| | (১) | (২) | (৩) | (৪) |
|---|---|---|---|---|
| (A) | (অ) | (ঈ) | (ই) | (আ) |
| (B) | (ঈ) | (আ) | (অ) | (ই) |
| (C) | (আ) | (অ) | (ঈ) | (ই) |
| (D) | (ই) | (ঈ) | (অ) | (আ) |

73. জ্যেষ্ঠতাৰ ভিত্তিত ক্ৰম নিৰ্ণয় কৰাঁ : (নিম্নোক্ত শৃংখলৰ পৰা শুদ্ধ ৰূপ নিৰ্বাচন কৰাঁ।)

(অ) অতুলানন্দ গোস্বামী

(আ) বেণুধৰ শৰ্মা

(ই) হোমেন বৰগোহাঞি

(ঈ) লক্ষ্মীনাথ বেজবৰুৱা

(A) (অ), (আ), (ই), (ঈ)

(B) (আ), (অ), (ই), (ঈ)

(C) (ঈ), (আ), (ই), (অ)

(D) (ঈ), (ই), (আ), (অ)

74. 'সাতাৰুন ছাল' — শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন ?

(A) হোমেন বৰগোহাঞি

(B) অনুৰাধা শৰ্মা

(C) লীলা গগৈ

(D) বেণুধৰ শৰ্মা

75. অসমীয়া ভাষাৰ স্বৰৰ দৈৰ্ঘ বৰ্ণগত নহয়। কাৰণ—

(A) স্বৰৰ দৈৰ্ঘই অসমীয়া ভাষাত শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটায়

(B) স্বৰৰ উচ্চাৰণ দৈৰ্ঘৰ ক্ষেত্ৰত অসমীয়া আৰু সংস্কৃতৰ মিল নাই

(C) স্বৰৰ দৈৰ্ঘই অসমীয়া ভাষাত শব্দৰ অৰ্থৰ পৰিবৰ্তন সাধন নকৰে

(D) স্বৰৰ উচ্চাৰণত অসমীয়া ভাষাত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নাই

76. তলৰ কোন কেইখন গ্ৰন্থ প্ৰাক্-শংকৰী যুগত ৰচিত ?

(A) কথা ৰামায়ণ, গীতি ৰামায়ণ, উষা পৰিণয়

(B) কীৰ্তন, কথা ৰামায়ণ, জয়দ্ৰথ বধ

(C) নামঘোষা, মাধৱ কন্দলিৰ ৰামায়ণ, সাত্যকি প্ৰৱেশ

(D) মাধৱ কন্দলিৰ ৰামায়ণ, সাত্যকি প্ৰৱেশ, জয়দ্ৰথ বধ

77. শংকৰদেৱৰ ৰচনাৱলীত ব্যৱহৃত ভাষাকেইটা হৈছে —

(A) প্ৰাচীন অসমীয়া, প্ৰত্ন অসমীয়া, সংস্কৃত

(B) প্ৰাচীন অসমীয়া, ব্ৰজাৱলী, সংস্কৃত

(C) প্ৰাচীন অসমীয়া, মধ্য যুগৰ অসমীয়া, সংস্কৃত

(D) প্ৰত্ন অসমীয়া, প্ৰাচীন অসমীয়া, ব্ৰজাৱলী

**78.** কালানুক্ৰমিকভাৱে সজালে তলৰ কোনটো বিকল্প শুদ্ধ ?

(A) হেম সৰস্বতী, লুইপাদ, ৰামসৰস্বতী, শংকৰদেৱ

(B) লুইপাদ, ৰামসৰস্বতী, শংকৰদেৱ, হেম সৰস্বতী

(C) লুইপাদ, হেম সৰস্বতী, শংকৰদেৱ, ৰামসৰস্বতী

(D) ৰামসৰস্বতী, শংকৰদেৱ, হেম সৰস্বতী, লুইপাদ

**79.** প্ৰথম প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীখনৰ ৰচয়িতাজন হৈছে —

(A) লক্ষ্মীনাথ বেজবৰুৱা

(B) দেবেন্দ্ৰনাথ বে

(C) দীননাথ বেজবৰুৱা

(D) হেমচন্দ্ৰ গোস্ব

**80.** নিম্নলিখিত কোনগৰাকী কবি পাঁচালী নহয় ?

(A) পীতাম্বৰ

(B) চণ্ডীবৰ

(C) দুৰ্গাবৰ

(D) মনকৰ

**81.** কালানুক্ৰমিকভাৱে সজালে তলৰ কোনটো বিকল্প শুদ্ধ ?

(A) সংস্কৃত, নিয়া প্ৰাকৃত. বৈদিক সংস্কৃত, অশোকৰ অনুশাসন

(B) নিয়া প্ৰাকৃত, বৈদিক সংস্কৃত, অশোকৰ অনুশাসন, সংস্কৃত

(C) বৈদিক সংস্কৃত, সংস্কৃত, অশোকৰ অনুশাসন, নিয়া প্ৰাকৃত

(D) বৈদিক সংস্কৃত, সংস্কৃত, নিয়া প্ৰাকৃত, অশোকৰ অনুশাসন

**82.** শংকৰদেৱৰ 'গুণমালা' পুথিত ব্যৱহৃত ছন্দটোৰ নাম —

(A) পদ

(B) হংসমালা

(C) কুসুমমালা

(D) দুলড়ী

**83.** অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষাটো চিহ্নিত কৰা।

(A) নাগামিজ

(B) দেউৰী

(C) নক্তে

(D) দেউৰী-অসমী

**84.** অসমীয়া ভাষাত '-এ'ৰ ব্যৱহাৰ হয় —

(A) প্ৰথমা, তৃতীয়া, পঞ্চমী বিভক্তিৰ চিনৰূপে

(B) প্ৰথমা, তৃতীয়া, সপ্তমী বিভক্তিৰ চিনৰূপে

(C) প্ৰথমা, দ্বিতীয়া, পঞ্চমী বিভক্তিৰ চিনৰূপে

(D) প্ৰথমা, চতুৰ্থী, পঞ্চমী বিভক্তিৰ চিনৰূপে

85. অংকীয়া নাটৰ সামৰণিত ব্যৱহাৰ কৰা ভটিমাবিধ হৈছে —

(A) নান্দী ভটিমা

(B) অথ ভটিমা

(C) মুক্তিমংগল ভটিমা

(D) ৰাজ ভটিমা

86. তলৰ কোনটো ৰূপ ব্যাকৰণগতভাৱে শুদ্ধ নহয় ?

(A) সততা

(B) আন্তৰিকতা

(C) বৈচিত্র্যতা

(D) মমতা

87. সুকুমাৰ বৰকাথ বিৰচিত 'হস্তীবিদ্যার্ণৱ'

(A) চৰিত পুথি

(B) বুৰঞ্জী পুথি

(C) ব্যৱহাৰিক জ্ঞানৰ পুথি

(D) ধৰ্মপুথি

88. অসমীয়া ভাষাত /ম/ বৰ্ণটো ধ্বনিগতভাৱে —

(A) অনুনাসিক তালব্য বৰ্ণ

(B) নাসিক্য ঔষ্ঠ্য বৰ্ণ

(C) নাসিক্য কণ্ঠ্য বৰ্ণ

(D) পশ্চতালব্য দ্বৌষ্ঠ্য বৰ্ণ

89. অসমৰ আহোমসকল প্ৰজাতিগতভাৱে —

(A) শ্যাম-চীনীয়

(B) মংগোলীয়

(C) চীন-তিব্বতীয়

(D) ককেছীয়

90. কানাই বৰশীবোৱা শিলালিপি কোন শ্ৰেণীৰ লিপি ?

(A) দেৱনাগৰী লিপি

(B) কুটিল লিপি

(C) পুৰণি অসমীয়া লিপি

(D) ব্ৰাহ্মীলিপি

91. কালিৰাম মেধি নিম্নলিখিত কোনখন গ্ৰন্থৰ প্ৰণেতা ?

(A) অসমীয়া ভাষাৰ ব্যাকৰণ

(B) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(C) অসমীয়া ব্যাকৰণ

(D) অসমীয়া ল'ৰাৰ ব্যাকৰণ

92. জনজাতীয় জীৱনভিত্তিক প্ৰথম অসমীয়া উপন্যাসখনৰ ৰচয়িতাজন

(A) লক্ষ্মীনাথ বেজবৰুৱা

(B) লুম্মেৰ দাই

(C) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

(D) ৰজনীকান্ত বৰদলৈ

93. ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত কোন শ্ৰেণীৰ সাহিত্য ?

(A) বাৰমাহী বিলাপ গীত

(B) অনুষ্ঠানমূলক

(C) কিম্বদন্তীমূলক আখ্যানগীত

(D) বুৰঞ্জীমূলক

94. অসমীয়া ভাষাৰ অনূদিত প্ৰথমখন মুদ্ৰিত গ্ৰন্থৰ অনুবাদকজন হৈছে —

(A) নাথান ব্ৰাউন

(B) আত্মাৰাম শৰ্মা

(C) এ. কে. গাৰ্নি

(D) মাধৱ কন্দলি

95. আধুনিক অসমীয়া কবিতাৰ এক বিশেষত্ব

(A) পদ ছন্দৰ প্ৰয়োগ

(B) শব্দালংকাৰৰ

(C) হাস্যৰসৰ প্ৰাচুৰ্য

(D) মুক্তক ছন্দ অ

96. 'ধম্মপদ'ৰ ভাষা

(A) বৈদিক সংস্কৃত

(B) সংস্কৃত

(C) পালি

(D) অৰ্দ্ধমাগধী

97. ভৰ্তৃহৰি বিৰচিত 'নীতিশতক'ৰ ভাষা

(A) বৌদ্ধ সংস্কৃত

(B) সংস্কৃত

(C) পালি

(D) অপভ্ৰংশ

98. ৰ'দ-ঘাই শব্দৰ অৰ্থ

(A) ভালকৈ ৰ'দ পৰা

(B) বেলি

(C) বৰষুণ নিদিয়া

(D) চোকা ৰ'দ

99. অসমীয়া লোক-সংস্কৃতিত বাঁহৰ ব্যৱহাৰ —

(A) মংগোলীয়মূলীয়

(B) অষ্ট্ৰিকমূলীয়

(C) আৰ্যমূলীয়

(D) দ্ৰাবিড়মূলীয়

100. নিম্নলিখিত কোনটো বাক্য নিৰ্ভুল ?

(A) ভাতটো খাই ল।

(B) সাধু, সাধু, সাধু ; খাই কঠালৰ বাদু।

(C) মই শ্বিলংলৈ যাম।

(D) ভাষা চৈতন্য নাথাকিলে জাতীয় চৈতন্য নাথাকে।

———×———